**ৰাষ্ট্ৰীয় দিৱস উদযাপনত মৰিচাছৰ সৰ্বোচ্চ অসামৰিক বঁটা গ্ৰহণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ (12 মাৰ্চ, 2025)**

মাৰ্চ 12, 2025

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাছ গণৰাজ্যৰ 57 সংখ্যক ৰাষ্ট্ৰীয় দিৱস উদযাপনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

2. উদযাপনৰ সময়ত মৰিচাছ গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামহিম ধৰমবীৰ গোখুলে প্ৰধানমন্ত্ৰী মোদীক মৰিচাছৰ সৰ্বোচ্চ অসামৰিক বঁটা অৰ্ডাৰ অৱ্ দ্য ষ্টাৰ এণ্ড কী অৱ্ দ্য ইণ্ডিয়ান অ'চেন (G.C.S.K) প্ৰদান কৰে। এই সন্মান প্ৰথমবাৰৰ বাবে কোনো ভাৰতীয় নেতাই লাভ কৰিছে।

3. প্ৰধানমন্ত্ৰী মোদীয়ে এই বঁটা ভাৰত আৰু মৰিচাছৰ মাজৰ বিশেষ বন্ধুত্বৰ লগতে ভাৰতৰ 1.4 বিলিয়ন জনসাধাৰণৰ লগতে মৰিচাছত থকা তেওঁলোকৰ 1.3 মিলিয়ন ভাই-ভনীৰ প্ৰতি উৎসৰ্গা কৰে।

4. ৰাষ্ট্ৰীয় দিৱস উদযাপনৰ সময়ত ভাৰতীয় নৌসেনাৰ এটা দলে পেৰেডত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় দিৱস উদযাপনৰ লগত সংগতি ৰাখি ভাৰতীয় নৌসেনাৰ এখন জাহাজেও প'ৰ্ট কল কৰে।

প'ৰ্ট লুই

মাৰ্চ 12, 2025